# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-JAN-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

---

১। ধেমাজি আৰু ঢকুৱাখনা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণৰ লগতে লখিমপুৰ জিলা কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। চলিত বৰ্ষত নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৰা ১ লাখ ৮০ হাজাৰ টন ডিজেল আমদানি কৰিবলৈ বাংলাদেশৰ সিদ্ধান্ত।

৩। ৰাজ্যত শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাত সহায় কৰাটো প্ৰতিটো ৰাজনৈতিক দলৰ দায়িত্ব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য। **আৰু**

৪। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থৰ দেহাৱসান।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি আৰু ঢকুৱাখনা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত প্ৰাৰম্ভিক মূলধনৰ চেক বিতৰণৰ দুটা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সমষ্টি দুটাৰ ৬৮ হাজাৰ ৯৪২ গৰাকী মহিলাক এই আঁচনিয়ে সামৰি লৈছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণতে লখিমপুৰ জিলাত ২৯৮ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মাতমৰাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ১৪৮ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ব্ৰহ্মপুত্ৰ সংহত বান আৰু খহনীয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পৰ নিৰ্মাণ বামুণী চাপৰিৰ পৰা টেকেলিফুটালৈ কৰা হ'ব। তেওঁ ২০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ফাটবিহু ক্ষেত্ৰৰ প্ৰথম পৰ্যায়ৰ উন্নয়ন প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে ১৫ কোটি টকা ব্যয়সাপেক্ষ বাসুদেৱ থান নৰোৱা সত্ৰৰ বিকাশৰ প্ৰথম পৰ্যায় আৰু ৯০ কোটি টকা ব্যয়সাপেক্ষে ঢকুৱাখনাৰ মহকুমা অসামৰিক চিকিৎসালয়ক ২০০ খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণ আৰু আবাসিক গৃহ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰে। নিশা ৮ বজাত মুখ্যমন্ত্ৰীয়ে ২৫ কোটি টকা ব্যয়েৰে লখিমপুৰত নিৰ্মিত ৮৯০ খন আসনযুক্ত ড° ভূপেন হাজৰিকা টাউন হল নামৰ অত্যাধুনিক প্ৰেক্ষাগৃহও উদ্বোধন কৰিব।

০০০০০

বাংলাদেশে অহা ডিচেম্বৰ পৰ্যন্ত ভাৰতৰ চৰকাৰ পৰিচালিত নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৰা এহেজাৰ ৪৬২ কোটি টাকা ব্যয়েৰে ১ লাখ ৮০ হাজাৰ টন ডিজেল আমদানি কৰিব। বাংলাদেশৰ বিত্ত উপদেষ্টা চালেহুদ্দিন আহমেদৰ অধ্যক্ষতাত কালি ঢাকাত আয়োজিত চৰকাৰী ক্ৰয় উপদেষ্টা সমিতিৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সূত্ৰই প্ৰকাশ কৰা মতে অইল ইণ্ডিয়া লিমিটেডৰ সহায়ক কোম্পানী নুমলীগড় শোধনাগাৰ লিমিটেডৰ সৈতে হোৱা চুক্তি অনুসৰি প্ৰতি বেৰেলত ৫ দশমিক ৫০ মাৰ্কিন ডলাৰেৰে ১১ কোটি ৯১৩ লাখ ডলাৰ আমদানি ব্যয় ধাৰ্য কৰা হৈছে। সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত শক্তি আৰু খনিজ সম্পদ বিভাগৰ উপদেষ্টা মহম্মদ ফৌজল কবিৰ খানে কয়, যে পূৰ্বৰ চৰকাৰৰ কাৰ্যকালত সম্পাদিত ১৫ বছৰীয়া দীৰ্ঘম্যাদী চুক্তিৰ অধীনত এই আমদানি কৰা হ'ব।

০০০০০

ৰাজ্যত এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সহযোগ কৰাটো প্ৰতিটো ৰাজনৈতিক দলৰ দায়িত্ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। আজি ধেমাজিত উদ্যমিত অভিযানৰ অধীনত হিতাধিকাৰীসকলক চেক বিতৰণৰ পাছত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অবৈধ নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰে প্ৰথমৰে পৰাই কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে। সন্দেহজনক নাগৰিকৰ বিৰুদ্ধে প্ৰতিগৰাকী ভাৰতীয় নাগৰিকে ৬, ৭ আৰু ৮ নম্বৰ নিৰ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি অভিযোগ দাখিল কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**বাইট (চি এম)**

উল্লেখযোগ্য যে, ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা উচ্ছেদিত লোকসকলৰ নাম সেই অঞ্চলৰ ভোটাৰ তালিকাত নাথাকিব বুলিও মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিছে। দখলীকৃত ভূমি দখলমুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে কঠোৰভাৱে উচ্ছেদ অভিযান চলাই যাব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উচ্ছেদিত লোকসকল যদি কোনো এটা স্থানলৈ গৈ নতুনকৈ বসতি কৰিবলৈ লয় নাইবা ভাৰাতীয়া হিচাপে থাকে তেতিয়া তেওঁলোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হ'ব পাৰে।

০০০০০

গুৱাহাটীত কাইলৈৰ পৰা দুদিনীয়াকৈ কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰীসকলৰ সন্মিলন অনুষ্ঠিত হ'ব। এই দুদিনীয়া সন্মিলনখনে নতুন নীতি, বিনিয়োগ, বহনক্ষমতা, ৰপ্তানী, আন্তঃগাঁথনিৰ বিকাশ আৰু বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত প্ৰযুক্তিগতভাৱে কৰিব পৰা উন্নয়নৰ দিশসমূহ সামৰি ল'ব। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰীয়ে জানিবলৈ দিয়া মতে ২০৩০ চনৰ ভিতৰত ভাৰতে বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত গোলকীয়ভাৱে সুকীয়া পৰিচয় গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি কাম কৰিবলৈ বিচাৰিছে। ইয়াৰ সৈতে সংলগ্ন বিভিন্ন দিশ অৰ্থাৎ ৰপ্তানি, নিয়োগৰ সুবিধা প্ৰদান আদিকো সামৰি লোৱাৰ চেষ্টা কৰিছে। পাৰম্পৰিক বোৱা কটাৰ বিকাশ আৰু উদ্ভাৱনী বিষয়ৰে অনুষ্ঠিত হ'বলগীয়া এই সন্মিলনখনত দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মন্ত্ৰীসকলে অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থৰ আজি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। ৯৫ বছৰ বয়সত মৃত্যু হোৱা প্ৰয়াত পুৰকায়স্থ দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকী ১৯৯৮ চনৰ পৰা ১৯৯৯ চনলৈ অটল বিহাৰী বাজপেয়ী চৰকাৰৰ যোগাযোগ বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী আছিল। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, ডা০ ৰণোজ পেগু, পীযূষ হাজৰিকা, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ লগতে কেইবাগৰাকীও মন্ত্ৰী-বিধায়কে শোক প্ৰকাশ কৰিছে। ভাৰতীয় জনতা পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাপক গৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে কাইলৈ সকলো দলীয় কাৰ্যসূচী বাতিল কৰাৰ লগতে দলটোৰ সকলো কাৰ্যালয়ত দলীয় পতাকা অৰ্ধনমিত কৰি ৰাখিবলৈ ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই আহ্বান জনাইছে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চাৰিদিনীয়া কাৰ্যসূচীৰে সপ্তম পক্ষী গণনা অনুষ্ঠিত হৈছে। ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্প এলেকাৰ পূব অসম বন্যপ্ৰাণী সংমণ্ডল, নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ লগতে বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডল আৰু চাপৰি এলেকাত এই পক্ষী গণনা অনুষ্ঠিত হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক সোণালী ঘোষে এই বিষয়ে প্ৰকাশ কৰে। পক্ষী গণনাৰ বাবে ১২৬ খন বিলৰ সমীপত বন বিভাগৰ বিষয়া-কৰ্মচাৰী, স্বেচ্ছাসেৱী সংগঠনৰ সদস্যৰ লগতে প্ৰায় ৭০ গৰাকী পক্ষী বিশেষজ্ঞই গণনাত অংশ লৈছে। বিগত বছৰৰ গণনাত উদ্যানখনত ১২৪টা প্ৰজাতিৰ মুঠ ১ লাখ ১২ হাজাৰ ৬২টা পক্ষী থকাৰ তথ্য পোৱা গৈছিল। চলিত বছৰত বান আৰু বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ বাবে

কেইবাটাও বিল মেটেকাৰে ভৰি পৰিছে। ইয়াৰ ফলত কেইটামান বিলত পক্ষী গণনা কৰিব পৰা হোৱা নাই। অৱশ্যে পক্ষীবিদসকলে গণনাত কেইবাটাও দুষ্প্ৰাপ্য প্ৰজাতিৰ চৰাইৰ সন্ধান লাভ কৰিছে। ২ ফেব্ৰুৱাৰীত এই গণনাৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত দক্ষিণ শালমাৰা মানকাচৰ জিলাত তিনিদিনীয়াকৈ অনুষ্ঠিত বান বিষয়ক আখৰা কাৰ্যসূচীৰ আজি সামৰণি পৰে। মানকাছৰ ৰাজহ চক্ৰৰ অধীনৰ বিভিন্ন বিভাগৰ কৰ্মচাৰী আৰু বিভিন্ন প্ৰতিষ্ঠানৰ সদস্যসকলক লৈ এই প্ৰশিক্ষণ অনুষ্ঠিত হয়। যোৱা ৫ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই আখৰাৰ আজি অন্তিম দিনা বেপাৰীপাৰা জিঞ্জিৰাম নৈত এই  প্ৰশিক্ষণ দিয়া হয়। বানৰ সময়ত দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ পৰা প্ৰশিক্ষণ লোৱা কৰ্মচাৰী, এছ ডি আৰ এফ আৰু বিভিন্ন সংস্থাৰ সদস্যসকলে বান ক্ষতিগ্ৰস্ত লোকক কিদৰে উদ্ধাৰ কৰি বান সাহায্য শিবিৰলৈ নিব লাগে সেই সম্পৰ্কত আখৰা চলায়। একেদৰে বানত বুৰ গৈ আহত লোকসকলক উদ্ধাৰ কৰি কেনেকৈ হাস্পতাললৈ নিয়া হয় সেই সম্পৰ্কেও আখৰা চলোৱা হয়। এই সন্দৰ্ভত হাটশিঙিমাৰী দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা আঁচনি বিষয়া ৰেকিবুজ জাহানে এইদৰে কয়।

বাইট

ooooo

তেজপুৰ বিশ্ববিদ্যালয়ৰ আণৱিক জীৱ বিজ্ঞান আৰু জৈৱ প্ৰযুক্তি  বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডং পংকজ বৰা আৰু গৱেষিকা ডং চিন্ময়ী বৰুৱাৰ নেতৃত্বত সম্পন্ন হোৱা শেহতীয়া গৱেষণাত তেজত থকা বিপাক প্ৰক্ৰিয়াত প্ৰয়োজনীয় কিছুমান নিৰ্দিষ্ট ৰাসায়নিক উপাদান চিনাক্ত কৰা হৈছে। এই উপাদানৰ সহায়ত পিত্তাশয়ৰ কৰ্কট ৰোগ আগতীয়াকৈ, সহজে আৰু তুলনামূলকভাৱে কম খৰছত ধৰা পেলোৱা সম্ভৱ হব বুলি আশা কৰা হৈছে। গৱেষণাটোৱে পিত্তাশয় পাথৰৰ সৈতে জড়িত আৰু পাথৰবিহীন কৰ্কট ৰোগ পৃথককৈ চিনাক্ত কৰাৰ নতুন পথো মুকলি কৰিছে। চিকিৎসা বিশেষজ্ঞসকলে প্ৰকাশ কৰা মতে এই আৱিষ্কাৰে গম নোপোৱাকৈ বাঢ়ি যোৱা পিত্তাশয়ৰ কৰ্কট ৰোগক প্ৰাথমিক পৰ্যায়তে চিনাক্ত কৰাত সহায় কৰিব। অসমসহ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত পিত্তাশয়ৰ কৰ্কট ৰোগ গুৰুতৰ সমস্যাৰূপে দেখা দিছে। বিশ্বৰ পৰিসংখ্যা অনুসৰি পিত্তাশয়ৰ কৰ্কট ৰোগীৰ সংখ্যাৰ ক্ষেত্ৰত চিলি আৰু বলিভিয়াৰ পিছতে ভাৰতৰ স্থান আৰু দেশৰ ভিতৰত অসমৰ এই ৰোগৰ প্ৰাদুৰ্ভাৱ সৰ্বাধিক।

ooooo

ৰাজ্যৰ পঞ্চায়ত প্ৰতিনিধিসকলৰ দক্ষতা বিকাশৰ জৰিয়তে গ্ৰামাঞ্চলৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে আজি ভৱানীপুৰ সৰভোগ সমষ্টিৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ এখন কৰ্মশালা অনুষ্ঠিত হয়। বৰপেটা ৰোডৰ লক্ষ্মীনাথ বেজবৰুৱা প্ৰেক্ষাগৃহত আয়োজিত কৰ্মশালাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ লগতে কেইবাগৰাকী বিভাগীয় বিষয়া উপস্থিত থাকে। তেওঁলোকে পঞ্চায়তৰ সমস্যাৰাজিৰ বুজ লৈ সমাধানৰ ব্যৱস্থা কেনেদৰে গ্ৰহণ কৰিব লাগে সেই বিষয়ে প্ৰতিনিধিসকলক অৱগত কৰে। কৰ্মশালাত দিয়া ভাষণত মন্ত্ৰী শ্ৰীদাসে গ্ৰামাঞ্চলৰ ৰাইজৰ  সমস্যাৰ বুজ লৈ সেই অনুসৰি আঁচনি ৰূপায়ন কৰিবলৈ প্ৰতিনিধিসকলক পৰামৰ্শ দিয়ে।

ooooo

সমাপ্ত